# ভিতৰে-বাহিৰে

## জুবিন গাৰ্গ

সাগৰ দেখিছা?
তাত বৰ এন্ধাৰ
ঢৌৰে কোবায়
শব্দৰ কোলাহল

পাৰাপাৰহীন
ক'ত আৰম্ভ ক'ত শেষ
কোনেও নেজানে

মই নদী ভাল পাওঁ
নদীয়ে নিজৰ পথ নিজেই বিচাৰে
কুলুকুলু শব্দেৰে
একা-বেঁকা বাটেৰে নিজেই বিচাৰি যায়
নিজৰ ঠিকনা

দিশহাৰা জীৱনৰ সেউজ শিলত থৈ যায়
কল্লোলিত হৃদয়ৰ বেদনা...

১০ মাৰ্চ, ২০১৭, লণ্ডন